জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭/২০২২

# ভোগালী বিহু উপলক্ষে অসমবাসীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** ভোগালী বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভোগালী হ'ল ভোগৰ উৎসৱ। শস্য পথাৰৰ পৰা সোণগুটি চপোৱাৰ পিছত আয়োজিত ভোগালী বিহু হ'ল আমাৰ জাতিসত্ত্বাৰ এক বিমল আনন্দৰ উৎসৱ। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে লগে-ভাগে ভোগালীৰ এসাজ আনন্দেৰে খাই-বৈ মেজি প্ৰজ্বলনৰ জৰিয়তে জাতি সত্ত্বাক উজ্জীৱিত কৰাৰ সপোন ৰচে এই ভোগালীৰ সময়তে। এই উৎসৱ কেৱল মাত্ৰ এক আনুষ্ঠানিকতাই নহয়, জাতিটোক প্ৰাণৱন্ত কৰা, জাতিটোৰ প্ৰাণ সঞ্চাৰ কৰা এক আশাৰ উৎসৱ। এই উৎসৱে আমাৰ মাজত থকা মৈত্ৰীৰ বান্ধোন শক্তিশালী কৰি কৰ্মপথাৰত সগৌৰৱেৰে বিজয়ধ্বজা উৰুৱাবলৈ আমাক অনুপ্ৰাণিত কৰে। ভোগালীৰ সাংস্কৃতিক পৰম্পৰাই জাতিটোক প্ৰদান কৰে কৰ্ম প্ৰেৰণাৰ এক অদম্য উৎসাহ। সেয়েহে ভোগালী হ'ল আমাৰ প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ এক পৱিত্ৰ উৎসৱ। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভোগালী বিহুৰ এই শুভক্ষণত নতুন উদ্যমেৰে ৰাজ্যখনক সৰ্বদিশতে আগুৱাই নিয়াৰ বাবে সংকল্পবদ্ধ হ'বলৈ সকলোকে আহ্বান জনায়। তেওঁ লগতে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত সকলোকে স্বাস্থ্যসন্মত নীতি-নিয়ম বজাই ৰাখি বিহু উদ্‌যাপন কৰাৰ বাবে আহ্বান জনায়।

**বঃভাঃ**
**১৩-১-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in